# ক'ৰোনা, লকডাউনৰ সময়ৰ অনুভৱ আৰু ভাৱাবেগ সুঁৱৰি অসম সাহিত্য সভাৰ ব্যতিক্ৰমধৰ্মী অনুষ্ঠান




অনুষ্ঠানত বাওপিনৰ পৰা বীৰেন সিং, ডাঃ অঞ্জনজ্যোতি চৌধুৰী, ড° কুলধৰ শইকীয়া, ৰবিজিতা গগৈ, ড° মঞ্জুমালা দাস আৰু মাইনুল হক

অসম সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতি আৰু গুৱাহাটী আৰ্টিষ্ট গিল্ডৰ যৌথ উদ্যোগত যোৱা ৭ ফেব্ৰুৱাৰি, ২০২১ খ্ৰীষ্টাব্দ তাৰিখে আজি দিনৰ ১১-০০ বজাৰ পৰা দীঘলীপুখুৰীপাৰৰ উদ্যানত ক'ৰোনা, লকডাউন সময়ৰ অনুভৱ আৰু ভাৱাবেগ সুঁৱৰি **'পুখুৰীপাৰৰ ছাঁ জুৰণি—স্তব্ধ সময়, প্ৰত্যাশা প্ৰত্যয়'** শীৰ্ষক এটি অগতানুগতিক, ব্যতিক্ৰমধৰ্মী অনুষ্ঠান সম্পন্ন হয়। মূলতঃ সাহিত্য আৰু কলাৰ আটাইবোৰ দিশৰ সৈতে জড়িত ব্যক্তিসকলক একেখন মঞ্চত একগোট কৰাৰ প্ৰচেষ্টাই অসম সাহিত্য সভা আৰু গুৱাহাটী আৰ্টিষ্ট গিল্ডৰ যৌথ উদ্যোগত আয়োজিত এই অনুষ্ঠানৰ মূল উদ্দেশ্য।

সভাৰ আৰম্ভণি গীত 'চিৰ চেনেহী মোৰ ভাষা জননী...' পৰিৱেশনেৰে আৰম্ভ হোৱা অনুষ্ঠানৰ আদৰণি ভাষণত সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই কয় যে ক'ৰোনা অতিমাৰীৰ বাবে ছমাহৰো অধিক লকডাউনৰ দুৰ্যোগপূৰ্ণ সময়ছোৱাত সমগ্ৰ ৰাষ্ট্ৰখনিৰ লগতে অসমৰো শিল্পী, সাহিত্যিক, কবি, চিত্ৰকৰ আদি সৃষ্টিশীল লোকসকল চৰম হতাশাত ভুগিছিল। "সেই দুৰ্যোপূৰ্ণ সময়ছোৱাৰ অনুভৱ জানিবলৈ আৰু সৃষ্টিশীল লোকসকলে সেই সময়ছোৱাত নো নিজস্ব সৃষ্টিকৰ্ম কেনেকৈ অব্যাহত ৰাখিছিল তাৰেই উম ল'বলৈ আমি এই অনুষ্ঠানৰ আয়োজন কৰিছোঁ," ড° শইকীয়াই মন্তব্য কৰে।

বিশিষ্ট শিক্ষাবিদ আৰু যশস্বী আবৃত্তি-অভিনয় শিল্পী ড° মঞ্জুমালা দাসে অনুষ্ঠান উদ্বোধন কৰি তেওঁৰ স্বভাৱজাত বলিষ্ঠ কণ্ঠৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ 'জয়মতী কুঁৱৰীৰ উক্তি' কবিতাটিৰ একাংশৰ আবৃত্তি পৰিৱেশন কৰে। ইয়াৰ পিছত বিশিষ্ট চিকিৎসক তথা সুগায়ক ডাঃ অঞ্জনজ্যোতি চৌধুৰীয়ে লকডাউন কালত তেওঁৰ অভিজ্ঞতা চমুকৈ ব্যক্ত কৰি ড° ভূপেন হাজৰিকাৰ 'বিস্তিৰ্ণ পাৰৰে অসংখ্য জনৰে...' গীতটি পৰিৱেশন কৰে। অনুষ্ঠানত স্বৰচিত কবিতা পাঠ কৰা এচাম কবিৰ ভিতৰত বিশিষ্ট কবি আনিছ উজ জামানৰ নাম উল্লেখনীয়। লগতে, পদ্মশ্ৰী সন্মানেৰে বিভূষিত সাহিত্যিক-গীতিকাৰ এলি আহমেদৰ চমু বক্তব্য, সংগীত নাটক একাডেমী বঁটাপ্ৰাপ্ত মুকাভিনয় শিল্পী মাইনুল হকৰ মুকাভিনয় পৰিৱেশন, জনপ্ৰিয় কণ্ঠশিল্পীদ্বয় পাহাৰী শইকীয়া আৰু তৃষ্ণা দেৱীৰ গীত পৰিৱেশন, বিশিষ্ট অভিনেত্ৰী-নাট পৰিচালক ৰবিজিতা গগৈ আৰু প্ৰসিদ্ধ চিত্ৰ-ভাস্কৰ্য শিল্পী বীৰেন সিংহৰ অনুভৱ প্ৰকাশ আৰু অভিনেতা মন্মথ বৰুৱাৰ কৌতুকাভিনয়ে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।



(বাওপিনে) আলোক ছবি প্ৰদৰ্শনী আৰু (সোঁপিনে) চিত্ৰাংকনত ব্যস্ত চিত্ৰশিল্পীৰ সৈতে সভাৰ সভাপতি ড° কুলধৰ শইকীয়া

গীত-কবিতা পৰিৱেশনৰ মাজত অসম সাহিত্য সভাই শেহতীয়াকৈ প্ৰকাশ কৰা লকডাউনৰ সময়ত ৰচিত-প্ৰকাশিত গল্প সংকলন ‘পাৰ্ক খুলিছে’ উন্মোচন কৰে সভাপতি ড° শইকীয়া, গল্পকাৰ অপূৰ্ব কুমাৰ শইকীয়া আৰু সাংবাদিকত্ৰয়ী গৌতম শৰ্মা, অচ্যুত পাটোৱাৰী আৰু মৃণাল তালুকদাৰে।

দীঘলীপুখুৰীপাৰৰ উদ্যানত এচাম চিত্ৰশিল্পীয়ে ছবি অঁকা আৰু পুখুৰীৰ দাঁতিতে এচাম বিশিষ্ট আলোকচিত্ৰ শিল্পীৰ কেমেৰাত বন্দী হোৱা লকডাউন সময়ৰ বিভিন্ন মুহূৰ্ত প্ৰতিভাত হোৱা কিছু ফটোগ্ৰাফ প্ৰদৰ্শনী অনুষ্ঠানৰ আন দুটি তাৎপৰ্যপূৰ্ণ কাৰ্যসূচী। বিশিষ্ট চিত্ৰশিল্পী তথা গুৱাহাটী আৰ্টিষ্ট গিল্ডৰ সাধাৰণ সম্পাদক কিশোৰকুমাৰ দাস আৰু প্ৰতিভাশালী আলোক ছবি শিল্পী সঞ্জীৱ গোহাঞিবৰুৱাই যথাক্ৰমে চিত্ৰাংকন কাৰ্যসূচী আৰু আলোক ছবি প্ৰদৰ্শনীৰ বিষয়ে থুলমূলকৈ কয়। লগতে, জ্যেষ্ঠ চিত্ৰশিল্পী নিশিলেশ্বৰ বৰুৱাই লকডাউনৰ সময়ত অব্যাহত বিশ্ব আৰু অসমৰ চিত্ৰকলা চৰ্চাৰ বিষয়ে আলোচনা আগবঢ়ায়।

সঞ্চিতা তালুকদাৰ আৰু ৰিতুপৰ্ণা শিৰমে আঁতধৰা অনুষ্ঠানত গীত পৰিৱেশন কৰা আন দুগৰাকী শিল্পী আছিল জিণ্টি দাস আৰু ৰাজীৱ সানী। সেইদৰে আন ছগৰাকী কবিয়ে স্বৰচিত কবিতা পাঠ কৰে আৰু তেওঁলোক হ’ল বিজয় শংকৰ বৰ্মন, লুটফা হানুম চেলিমা বেগম, বিভাৰাণী তালুকদাৰ, অংকুৰ ৰঞ্জন ফুকন, মৈত্ৰেয়ী পাটৰ আৰু পংখী কাজল কায়স্থ। সৰস্বতী ডেন্স একাডেমীৰ শিল্পী বৃন্দৰ দুটি নৃত্য পৰিৱেশন আৰু কণমানি হিমাংশু বৰঠাকুৰৰ বিহগী কবি ৰঘুনাথ চৌধাৰীৰ কবিতা আবৃত্তি সমগ্ৰ অনুষ্ঠানৰ আন দুটি মনপৰশা কাৰ্যসূচী।

সাংস্কৃতিক উপ-সমিতিৰ কাৰ্যকৰী সভাপতি দেবেন্দ্ৰনাথ বসুমতাৰীয়ে আৰম্ভ কৰা অনুষ্ঠানটি উপ-সমিতিৰ সহযোগী আহ্বায়ক ডাঃ মৃন্ময় নাথৰ শলাগৰ শৰাইৰে শেষ হয়। শেষত, অসম সংগীত ‘অ’ মোৰ আপোনাৰ দেশ...’ পৰিৱেশনেৰে সমগ্ৰ অনুষ্ঠানৰ অন্ত পৰে।

অনুষ্ঠানৰ লগত ৰজিতা খুৱাই আয়োজিত চৌবিশখন আলোক ছবি প্ৰদৰ্শনীৰ ফটোগ্ৰাফাৰসকল আছিলঃ অঞ্জন ডেকা, ড° পাপৰি শৰ্মা, সঞ্জীৱ বৰ্মন, সঞ্জীৱ বসুমতাৰী, বিদ্যাসাগৰ বৰুৱা, সঞ্জীৱ গোহাঞিবৰুৱা, পুস্পিতা চৌধুৰী, দীপিকা ৰয় আৰু  সঞ্জীৱন ডেকা। একেসময়তে দীঘলীপুখুৰীপাৰৰ উদ্যানত চিত্ৰাংকন কাৰ্যসূচীত অংশগ্ৰহণ কৰা চিত্ৰশিল্পীসকল হ’লঃ আমিনুল হক, ৰতন কুমাৰ ৰয় হাজং, মনোজ চক্ৰৱৰ্তী, পৰাণ বন্তি দেৱী, বন্দনা নাথ, হিতেন পাঠক, আল্পনা ফুকন, পল্লৱী বৰদলৈ, তুলিকা গোস্বামী, চিৰঞ্জীৱ বৰ্মন, ধ্ৰুৱ কলিতা, জিতু বৈশ্য, নোমল ভূএগ, ৰদালি চেতিয়া, হেমচন্দ্ৰ গগৈ, প্ৰাণজিৎ দাস, সুকন্যা শ্ৰেয়া দত্ত, নিখিল দাস, কৃষ্ণ বৰগোঁহাই, সৰোজ তিমুং আৰু তৌফিক আলি।

০০০০